# খ্ৰীষ্টৰ পৰিচৰ্য্যা কৰা সকলক আমি আমাৰ ঘৰলৈ আদৰণি জনাওঁ

## ল'ৰা-ছোৱালীক তেওঁলোকৰ ঘৰত আনৰ পৰিচৰ্য্যা কৰিবলৈ শিকাওক

তেওঁলোকৰ বয়স আৰু প্ৰয়োজনত খাপ খুৱাকৈ তলত দিয়া ল'ৰা-ছোৱালীৰ কাম বাচি লওঁক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, তেওঁবিলাকৰ ঘৰত আপোনাৰ পৰিচৰ্য্যা কৰিব পৰা পথ বিচাৰি ল'বলৈ ল'ৰা-ছোৱালীক সহায় কৰক।

এগৰাকী ভাববাদীৰ কাৰণে ঠাই যুগুত কৰা কাহিনীটো কৰিবলৈ প্ৰস্তুত হওক। ২ৰাজাৱলি ৪ঃ৮-৩৭ পঢ়ক, এজন যাত্ৰীক আদৰ-সাদৰ কৰাত কেনেকৈ ঈশ্বৰে এগৰাকী মহিলাক আশীৰ্ব্বাদ কৰিছিল।



তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ বিচাৰক। প্ৰতিটো প্ৰশ্নৰ অন্তত উত্তৰ দিয়া আছে।

- তিৰোতাজনীয়ে ইলীচাৰ কাৰণে কি কৰিলে? *(১০ পদ)*
- তিৰোতাজনীৰ নিমিত্তে ইলীচাই কি কৰিলে? *(১৬ পদ)*
- ল'ৰাটিৰ কি হ'ল? *(২০ পদ)*
- সহায় বিচাৰি তিৰোতাজনী কাৰ গুৰিলৈ গৈছিল? *(২৭ পদ)*
- ল'ৰাটিক সহায় কৰাৰ পূৰ্ব্বে ইলীচাই কি কৰিলে? *(৩৩ পদ)*
- ল'ৰাটিৰ নিমিত্তে ইলীচাই কি কৰিলে? *(৩৫ পদ)*

ভাববাদীৰ কোঠালী সম্পৰ্কে কোনো এজন ডাঙৰ ল'ৰা/ছোৱালী অথবা শিক্ষকক ক'বলৈ কওক।

কাহিনীটোৰ কিছু অংশ নাটক ৰূপত দেখুৱাওক - ২ ৰাজাৱলি ৪ঃ৮-৩৭।

- নাটকখন ল'ৰা-ছোৱালীয়ে পৰিৱেশন কৰিবলৈ প্ৰধান উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- প্ৰস্তুতিৰ সময়ত ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।
- কাহিনীটোৰ গোটেই ভাগ নকৰিলেও হ'ব।

**ইলীচা, তিৰোতা, স্বামী** আৰু **বৰ্ণনাকাৰী** ভাওকেইটা ডাঙৰ ল'ৰা-ছোৱালী অথবা শিক্ষকক দিয়ক।

- বৰ্ণনাকাৰীয়ে কাহিনীটো সংক্ষেপে ক'ব আৰু কি ক'ব আৰু কৰিব লাগে মনত পেলাবলৈ ল'ৰা-ছোৱালীক সহায় কৰিব।
- ইলীচাৰ এডাল লাখুটী আছিল।

সৰু ল'ৰা-ছোৱালীক ল'ৰা আৰু কৰ্ম্মচাৰীসকলৰ ভাও দিয়ক।

**বৰ্ণনাকাৰী ঃ** ২ৰাজাৱলি ৪ঃ৮-১৬ পদৰ কাহিনীৰ ১ম ভাগ কওক। এতিয়া কওক, "চুনেমীয়া তিৰোতা জনীয়ে তাইৰ স্বামীক কি কৈছে শুনক।"

**তিৰোতা ঃ** "হে স্বামী, আমাৰ বাটেদি প্ৰায়ে অহা-যোৱা কৰা ভাববাদী গৰাকীৰ বাবে মই কিবা এটা কৰিব খোজোঁ। আমি তেওঁৰ নিমিত্তে এটা কোঠালি সাজি দিব পাৰোঁনে, যাতে তেওঁ আমাৰ ইয়ালৈ আহিলে সেই ঠাইতে থাকিব পাৰে।"

**স্বামী ঃ** "তোমাৰ ভাবধাৰা অতি ভাল। মই দেৱালৰ ওপৰত এটি সৰু কোঠালি সাজোঁ।"

**ইলীচা ঃ** দুৱাৰত টুকুৰিয়াই আৰু কয়, "আমি আপোনালোকক লগ পাবলৈ আহিছোঁ।"

**তিৰোতা ঃ** "ইলীচা ডাঙৰীয়া, আপোনাক ওলগনি জনাওঁ। ভিতৰলৈ আহক, আপোনালৈ আমি সজা কোঠাটো চাওকহি!"

**ইলীচা ঃ** "ধন্যবাদ। তোমালোকৰ আদৰ যত্নৰ নিমিত্তে মই ঈশ্বৰক কওঁ যেন তোমালোকক আশীৰ্ব্বাদ কৰে। তোমাৰ পুত্ৰ সন্তান নাই বুলি মই জানো। অহা বছৰ, তোমাৰ কোলাত এটি পুত্ৰ সন্তান পাবা।

**বৰ্ণনাকাৰী ঃ** ২ৰাজাৱলি ৪ঃ১৭-২৫ ৰ পৰা কাহিনীটোৰ ২য় ভাগ কওক। এতিয়া কওক, "ল'ৰাটোৱে দেউতাকক কি কৈছে শুনক।"

**ল'ৰা ঃ** "দেউতা, আজি মই আপোনাৰ লগত পথাৰলৈ যাব ইচ্ছা কৰোঁ।

**স্বামী ঃ** "হয়, মোৰ বোপা। আহাঁ, মোৰ কামত সহায় কৰাহি। (স্বামী আৰু ল'ৰাই শস্য চপোৱা বনুৱাসকলৰ ওচৰলৈ খোজকাঢ়ি আগবাঢ়ে।)

**বনুৱাবোৰ ঃ** "মহাশয়, সু-প্ৰভাত।" "ঈশ্বৰে আপোনাক আৰু আপোনাৰ সন্তানক আশীৰ্ব্বাদ কৰক।"

**ল'ৰা ঃ** মূৰত হাত দি আপত্তি কৰে, "অহ! অহ! ইমান বিষাইছে, দেউতা, মোৰ মূৰটো বৰকৈ বিষাইছে!"

**স্বামী ঃ** (বনুৱা এজনক কয়, "ল'ৰাটিক মাকৰ ওচৰলৈ নিয়া।")

**তিৰোতা ঃ** ল'ৰাটো মৃত্যু পৰ্য্যন্ত ধৰি ৰাখে (মজিয়াত পৰি যায়)। আৰু কয়, "হেৰা বনুৱা, মোলৈ এটি গাধ আনা।"

**বৰ্ণনাকাৰী ঃ** ২ৰাজাৱলি ৪ঃ২৬-৩৭ ৰ পৰা কাহিনীৰ ৩য় ভাগ কওক, এতিয়া কওক, "তেওঁৰ দাস, গেহজীক ইলীচাই কি কয় শুনক।"

**ইলীচা ঃ** "এইয়া চুনেমীয়া তিৰোতা জনী আহিছে। তেওঁৰ বাৰু কি বিপদ হ'ল।"

**তিৰোতা ঃ** চকু পানী মচি মচি কোনো উত্তৰ নিদিয়াকৈ খোজকাঢ়ি গৈ থাকক। ইলীচাৰ ওচৰলৈ গৈ কওক, "মোৰ ল'ৰাটি মৰিল। মোলৈ অনুগ্ৰহ কৰক!"

**ইলীচা ঃ** "আহাঁ তাৰ ওচৰলৈ যাওঁহঁক। (তিৰোতাজনীৰ ঘৰলৈ যায়। ল'ৰাটিৰ কাষত আঁঠুলৈ প্ৰাৰ্থনা কৰা যেন বুজায়। এতিয়া ল'ৰাটিৰ ওপৰত শুই পৰক।)

**ল'ৰা ঃ** কেইবাৰো হাঁচিয়াই আৰু উঠি বহে।

**ইলীচা ঃ** "তোমাৰ ল'ৰাটি লোৱা!"

**বৰ্ণনাকাৰী ঃ** নাটকত সহায় কৰা আটাইকে ধন্যবাদ জ্ঞাপন কৰক।

**প্ৰশ্নবোৰ সোধক ঃ** যদিহে ল'ৰা-ছোৱালীয়ে বয়সীয়াসকলৰ নিমিত্তে নাটকখন কৰিছে, তেনেহ'লে ওপৰৰ তালিকাত দিয়া প্ৰশ্নবোৰ তেওঁলোকক সোধক।

প্ৰত্যেক ল'ৰা-ছোৱালীক এই কাহিনীটোৰ পৰা বেলেগ বেলেগ বস্তু অথবা ব্যক্তি আঁকিবলৈ দিয়ক।

- এটা শিলৰ ঘৰৰ ওপৰৰ সমান ছালখনত এটা কোঠালি, এখন মেজ, এখন চকী, এটা লেম্প, এখন বিচনা, নিজৰ মূৰটো ধৰি থকা ল'ৰা এটা, গাধ অথবা ইলীচাৰ লাখুটি - এইবোৰৰ ছবি আঁকিব পাৰে।

- এখন বিচনা থকা এটা কোঠালি, এখন টেবুল, এখন চকী আৰু এটা লেম্প - শিক্ষকে আঁকিব পাৰে আৰু ডাঙৰ ল'ৰা-ছোৱালীয়ে সেই ছবিবোৰ নকল কৰক।
- ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক ছবি আঁকাত সহায় কৰিব পাৰে।
- উপাসনাৰ সময়ত বয়সীয়া সকলক ল'ৰা-ছোৱালীয়ে ছবিবোৰ দেখুৱাব পাৰে আৰু ঈশ্বৰৰ পৰিচৰ্য্যা কৰা জনক কেনেদৰে আদৰ সাদৰ কৰাৰ অভ্যাস ৰাখিব লাগে তাকে ই ব্যাখা কৰা বুলি বুজাই কওক।

আমি কেনেকৈ ঈশ্বৰৰ পৰিচৰ্য্যা কৰাত আমাৰ ঘৰবোৰ ব্যৱহাৰ কৰিব পাৰোঁ, এনে আন কিছুমান উদাহৰণ ল'ৰা-ছোৱালীক ক'বলৈ কওক। "ঈশ্বৰৰ উপাসনা কৰিবলৈ কিমান বিভিন্ন স্থান বিলাকলৈ মানুহবোৰ যায়?" এই প্ৰশ্ন কৰক।

**পদ্য ঃ** চাৰি গৰাকী ল'ৰা-ছোৱালীক গীতমালা ২৪ঃ৭-১০ একোটাকৈ পদ মুখস্থ কৰিবলৈ দিয়ক।

আমাৰ ঘৰবোৰত ঈশ্বৰৰ পৰিচৰ্য্যা কৰা অথবা আমাৰ ঘৰবোৰ ঈশ্বৰৰ উপাসনাৰ নিমিত্তে ব্যৱহাৰ কৰাৰ বিষয়ে ডাঙৰ ল'ৰা-ছোৱালীক একোটাকৈ পদ্য অথবা গীত ৰচিবলৈ দিয়ক।

সৰু ল'ৰা-ছোৱালীক ইফিচীয়া ২ঃ১৯, আৰু ডাঙৰবোৰক ইফিচীয়া ২ঃ১৯-২০ পদ মুখস্থ কৰিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** "হে প্ৰভু, গোটেই পৃথিৱীখন তোমাৰ। আমাৰ ঘৰবোৰ তোমাৰেই। আমাৰ ঘৰবোৰৰ প্ৰশংসা গ্ৰহণ কৰা নিমিত্তে আপোনাক ধন্যবাদ দিওঁ। আমাৰ পৰিয়ালৰ আদৰ মান আপোনালৈ দান যেন হয়।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net